# ধূপধৰাত স্বাস্থ্য শিবিৰ

'আমাৰ অসম'ৰ ধূপধৰাৰ প্ৰতিবেদক, ৬ মাৰ্চ ঃ ধূপধৰাস্থিত বিকালী মহাবিদ্যালয়ৰ সহযোগত তথা গুৱাহাটী মেট্ৰ' হাস্পতালৰ 'এডভান্স হাৰ্ট কেয়াৰ চেণ্টাৰ'ৰ উদ্যোগত অলপতে এক হৃদৰোগৰ সজাগতা আৰু চিকিৎসা শিবিৰ অনুষ্ঠিত হৈ যায়। মহাবিদ্যালয়খনৰ আইকিউএচ বিভাগৰ সহযোগত আয়োজিত শিবিৰটো উদ্বোধন কৰে অধ্যক্ষ ড° মনোজ কুমাৰ গগৈয়ে। ডাঃ চন্দ্ৰ কুমাৰ দাসৰ নেতৃত্বত অহা চিকিৎসা-কৰ্মীৰ দলটোৱে মহাবিদ্যালয়খনৰ অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী তথা অভিভাৱকৰ সমান্তৰালকৈ আন লোকৰ মধুমেহ, ৰক্তচাপৰ পৰীক্ষা কৰাৰ উপৰি ইচিজি কৰে।